# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰাৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

চামগুৰি বিধানসভা সমষ্টিত হবলগীয়া উপ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলাৰ চপাশালসমূহত পুস্তিকা, পোষ্টাৰ, আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলা দণ্ডাধীশ তথা জিলা নিৰ্বাচনী বিষয়াই এই ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি কোনো ব্যক্তিয়ে ছপাকাৰী আৰু প্ৰকাশকৰ নাম ঠিকনা অবিহনে কোনো পুস্তিকা বা পোষ্টাৰ ছপা কৰিব নোৱাৰিব। ইপিনে, জিলাখনত উপ নিৰ্বাচনৰ সময়ত আইন শৃংখলা পৰিস্থিতি অটুত ৰখাৰ বাবে এটা নিয়ন্ত্ৰণ কোষ স্থাপন কৰা হৈছে। এই কোষৰ টোল ফ্ৰি নম্বৰ ১০৭৭ আৰু লেণ্ডলাইন নম্বৰ ০৩৬৭ ২৩৮০০০ লৈ ফোন কৰি জনসাধাৰণে নিৰ্বাচনী প্ৰক্ৰিয়াক লৈ ওজৰ আপত্তি থাকিলে দাখিল কৰিব পাৰিব।

০০০০০

অসম লোকসেৱা আয়োগে আজি ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে। যোৱা ২৬, ২৭ আৰু ২৭ জুলাইত অনুষ্ঠিত লিখিত পৰীক্ষাৰ ভিত্তিত আয়োগৰ ৱেবছাইটত উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰা হৈছে। উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ কাৰণে অহা ১৩ নৱেম্বৰৰ পৰা সাক্ষাৎকাৰ গ্ৰহণ কৰা হ'ব। বিতং সাক্ষাৎকাৰৰ সময়সূচী অতি সোনকালে অৱগত কৰা হ'ব বুলি আয়োগে জানিবলৈ দিছে।

০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ কাইলৈ দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট ইষ্টৰ নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে

যে শপতগ্ৰহণ অনুষ্ঠানত শ্ৰী মাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

০০০০০

আত্মনিৰ্ভৰ ভাৰত শ্ল'গানেৰে দেশৰ হস্ততাঁত শিল্পীসকলক উৎসাহিত কৰাৰ লগতে উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে এখন উন্নত বজাৰ সৃষ্টি কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে বৰপেটাত এখন বস্ত্ৰ মেলা অনুষ্ঠিত হৈছে। বৰপেটা পৌৰসভাৰ খেলপথাৰত অনুষ্ঠিত এই ৰাজ্যিক হস্ততাঁত বস্ত্ৰ মেলাখন ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদ আৰু ৰাভা হাছং ক্ষেত্ৰীয় হস্ততাঁত তথা হস্তশিল্প সমবায় সমিতিৰ উদ্যোগত আয়োজন কৰা হৈছে। মেলাখনত অসমৰ লগতে হাৰিয়ানা, পঞ্জাৱ, উত্তৰ প্ৰদেশ, বিহাৰ, জম্মু-কাশ্মীৰ আৰু নাগালেণ্ডকে ধৰি দেশৰ কেইবাখনো ৰাজ্যৰ শিল্পীসকলে অংশগ্ৰহণ কৰিছে। উৎপাদিত সামগ্ৰীসমূহ মেলাত প্ৰদৰ্শন কৰাৰ লগতে বিক্ৰীৰো ব্যৱস্থা কৰা হৈছে। অহা ২৩ অক্টোবৰলৈকে চলিবলগীয়া মেলাখনত কমেও এক কোটি ২০ লাখ টকা মূল্যৰ সামগ্ৰী বিক্ৰীৰ লক্ষ্য লোৱা হৈছে বুলি আয়োজকসকলে জানিবলৈ দিছে। ৰাভা হাছং ক্ষেত্ৰীয় হস্ততাঁত তথা হস্তশিল্প সমবায় সমিতিৰ পৰিচালন সঞ্চালকে মেলাখনে হস্ততাঁত শিল্পীসকলৰ কাৰণে এখন বজাৰ সৃষ্টি কৰিব পৰা বুলি মন্তব্য কৰিছে।

০০০০০

আৰ্চাৰী বিশ্বকাপ ফাইনেল-২০২৪ আজিৰে পৰা মেক্সিক'ত আৰম্ভ হ'ব। এছিয়ান গেমছত সোণৰ পদক বিজেতা ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম, অলিম্পিক খেলুৱৈ দীপিকা কুমাৰী আৰু ধীৰজ বম্মাদেৱাৰা, প্ৰিয়াঞ্স আৰু প্ৰথমেশ ফুগেই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ৯ বজাৰ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত মুঠ ৩২ গৰাকী ধনুৰ্বিদে অংশগ্ৰহণ কৰিব। বিভিন্ন শিতানসমূহ হ'ল ৰিকাৰ্ভ পুৰুষ আৰু মহিলা তথা কম্পাউণ্ড পুৰুষ আৰু মহিলা। প্ৰত্যেক শিতানত ৮গৰাকীকৈ ধনুৰ্বিদে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে এইখন হৈছে এইবছৰৰ অন্তিমখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা।

০০০০০

সমাপ্ত